This question paper consists of 25 questions and 8 printed pages.
এই প্ৰশ্নকাকতত 25 টা প্ৰশ্ন আৰু 8 খন ছপা পৃষ্ঠা আছে।

Roll No. | | | | | | | | | | | | |
ৰোল নং.

Code No. 68/S/O/A
কোড নং.

Set / ছেট - A

# ASSAMESE
# (অসমীয়া)
# (228)

Day and Date of Examination
(পৰীক্ষাৰ দিন আৰু তাৰিখ) ______________________

Signature of Invigilators 1. ______________________
(নিৰীক্ষকৰ স্বাক্ষৰ)
2. ______________________

*সাধাৰণ নিৰ্দেশাৱলী ঃ*

1 সমস্ত প্ৰশ্নৰ উত্তৰ আপোনাক দিয়া উত্তৰ পুস্তিকাত দিব লাগিব।

2 এই প্ৰশ্নপত্ৰখন পঢ়িবৰ বাবে **15** মিনিট সময় দিয়া হৈছে। প্ৰশ্নপত্ৰখন দুপৰীয়া **02:15** বজাত বণ্টন কৰা হ'ব। **02:15** ৰ পৰা **02:30** পৰ্যন্ত সময় বিদ্যাৰ্থীসকলক প্ৰশ্নপত্ৰখন কেৱল পঢ়িবৰ বাবে দিয়া হৈছে। এই সময়ত তেওঁলোকে উত্তৰ পুস্তিকাত কোনোধৰণৰ উত্তৰ লিখিব নোৱাৰিব।

3 প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।

4 পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।

5 সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।

6 নিৰ্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।

7 উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা **68/S/O/A, ছেট - A** উল্লেখ কৰিব।



Unnati Educations
9899436384, 9654279279

# ASSAMESE

(অসমীয়া)

(228)

সময় : 3 ঘন্টা] [পূৰ্ণমান : 100

টোকা :

**(i)** এই প্ৰশ্নকাকতখনত দুটা খণ্ড আছে - 'ক' অংশ আৰু 'খ' অংশ।

**(ii)** প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা 25 টা। সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

**(iii)** প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়া হৈছে।

**(iv)** বস্তুনিষ্ঠ/বহুবিকল্প প্ৰশ্ন 'ক' অংশ আৰু বিষয়ভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন 'খ' অংশত দিয়া হৈছে। প্ৰশ্নৰ লগতে সেইবোৰৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

**(v)** 'ক' অংশত মুঠ 17 টা প্ৰশ্ন আছে। 1 নং প্ৰশ্নৰ পৰা 5 নং প্ৰশ্নলৈ মুঠ 20 টা বহুবিকল্প/বস্তুনিষ্ঠ (MCQ) প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে। প্ৰশ্ন নং 6 ৰ পৰা 17 লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

**(vi)** 'খ' অংশত মুঠ 8 টা প্ৰশ্ন আছে। প্ৰশ্ন নং 18 ৰ পৰা 25 লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

**(vii)** দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

---

## ক - অংশ

**1** তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। **1×4=4**

(i) ‘জীৱন জেউতি’ কবিতাটিৰ কবিগৰাকীৰ নাম :

(ক) নলিনীবালা দেৱী (খ) ৰত্নকান্ত বৰকটকী

(গ) যতীন্দ্ৰনাথ দুৱৰা (ঘ) দুৰ্গেশ্বৰ শৰ্মা

(ii) তলৰ কোনখন পুথি নলিনীবালা দেৱী ৰচিত?

(ক) আপোন সুৰ (খ) সন্ধিয়াৰ সুৰ

(গ) ওমৰ তীৰ্থ (ঘ) সুগন্ধি পখিলা

(iii) ‘কাকুতি’ বৰগীতটো কি ৰাগত বন্ধা?

(ক) ধনশ্ৰী (খ) মল্লাৰ

(গ) দীপক (ঘ) শ্ৰী

(iv) ভাৰতৰত্ন গোপীনাথ বৰদলৈ পাঠটিৰ লিখক কোন?

(ক) নাৰায়ণ দাস (খ) সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া

(গ) নকুল চন্দ্ৰ ভূঞা (ঘ) ভৃগুমোহন গোস্বামী



Unnati Educations
9899436384, 9654279279

**2** তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। **1×4=4**

(i) নলিনীবালা দেৱীয়ে প্ৰথম চকু মেলিছে :

(ক) চেনেহৰ শীতল কোলাত (খ) জনমৰ আদিম পুৱাত

(গ) বনৰীয়া সুৱদি গীতত (ঘ) জীৱনৰ শেষ সন্ধিয়াত

(ii) কবিয়ে কাক হৰিণাৰ লগত তুলনা কৰিছে?

(ক) সংসাৰক (খ) পাঠকক

(গ) নিজক (ঘ) নিজৰ বাহিৰে আনক

(iii) পুৰতি নিশা কোনে টিংখং বুজাইছিল?

(ক) সৈনিকসকলে (খ) নগৰীয়া বৰুৱাই

(গ) ৰুচিনাথ বুঢ়াগোহাঁয়ে (ঘ) পুৰন্দৰ কোঁৱৰে

(iv) অসমত কোন জনগোষ্ঠীয়ে প্ৰথম খেতিৰ প্ৰৱৰ্তন কৰিছিল?

(ক) আৰ্যগোষ্ঠীয়ে (খ) দ্ৰাবিড় গোষ্ঠীয়ে

(গ) অষ্ট্ৰিক গোষ্ঠীয়ে (ঘ) মংগোলীয় গোষ্ঠীয়ে

**3** তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। **1×4=4**

(i) খালী ঠাই পূৰ কৰক :

_______ শেষ সন্ধিয়াত

(ক) জনমৰ (খ) মৰমৰ

(গ) সপোনৰ (ঘ) জীৱনৰ

(ii) খালী ঠাই পূৰ কৰক :

আমাৰ দেশত বিহুত হেনো _______ যুঁজায়।

(ক) ম'হ (খ) বুলবুলি

(গ) হাঁহকণী (ঘ) ষাঁড়গৰু

(iii) 'বেড়াই' শব্দৰ অৰ্থ হৈছে :

(ক) বেৰি থকা (খ) ঘূৰি ফুৰা

(গ) বেয়া (ঘ) জৰি

(iv) 'কৈলে' শব্দৰ আধুনিক প্ৰতিশব্দ হৈছে :

(ক) ক'লৈ (খ) কয়

(গ) কৰিলে (ঘ) কোনে



Unnati Educations
9899436384, 9654279279

4 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। 1×4=4

(i) 'ইচ্ছাপত্ৰৰ নমুনা'ৰ আধাৰত 'পেচা' শব্দটিৰ কোনটি অৰ্থ গ্ৰহণযোগ্য?

(ক) পিছত (খ) বৃত্তি

(গ) পলমকৈ (ঘ) সুস্থভাৱে

(ii) 'নিষাদ'সকলে কোৱা ভাষাটো _______ বুলি পৰিচিত।

(ক) আৰ্য (খ) মংগোলীয়

(গ) অষ্ট্ৰিক (ঘ) নিগ্ৰোবটু

(iii) মণিৰাম কিমান দিনীয়া জ্বৰত পৰি আছিল?

(ক) ১১ দিনীয়া (খ) ১৩ দিনীয়া

(গ) ১২ দিনীয়া (ঘ) ৫ দিনীয়া

(iv) উত্তৰ-পশ্চিম দিশেৰে ভাৰতবৰ্ষলৈ _______ সোমায়।

(ক) মংগোলীয়সকলে (খ) অষ্ট্ৰিকসকলে

(গ) আৰ্যসকলে (ঘ) নিগ্ৰোবটুসকলে

5 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। 1×4=4

(i) নৰেশ্বৰ আৰু ধৰ্মেশ্বৰৰ ঘৰ গাঁৱৰ _______।

(ক) প্ৰথমতে (খ) গাঁৱৰ দুটা মূৰত

(গ) গাঁৱৰ এটা মূৰত (ঘ) ওচৰা-ওচৰি

(ii) লক্ষ্মীনাথ বেজবৰুৱাৰ উল্লেখযোগ্য গল্পপুথিখন হ'ল :

(ক) বেলিমাৰ (খ) চক্ৰধ্বজ সিংহ

(গ) কেহোঁকলি (ঘ) পদুম কুঁৱৰী

(iii) গোপীনাথ বৰদলৈৰ মৃত্যু ঘটে _______ ত।

(ক) ১৯৫১ (খ) ১৯৪৯

(গ) ১৯৪৮ (ঘ) ১৯৫০

(iv) কথকতাৰ আক্ষৰিক অৰ্থ হ'ল :

(ক) সৰ্বভাৰতীয় পৰম্পৰা (খ) ৰাজ্যিক পৰম্পৰা

(গ) সুতৰ কাৰ্য (ঘ) কথকৰ কাৰ্য

6 তলৰ প্ৰশ্নসমূহৰ খালী ঠাই পূৰণ কৰক। 2×2=4

(i) গোপালে কি গতি _______

গোবিন্দে কি _______ দিলে

(ii) ঢোলত চাপৰ _______, ডবাত _______ পৰে



Unnati Educations
9899436384, 9654279279

7 তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখক। 4

| 'ক' অংশ (প্ৰাচীন শব্দ) | 'খ' অংশ (আধুনিক অৰ্থ) |
|---|---|
| (i) কৈলে | (i) সংসাৰ |
| (ii) ভৱ | (ii) বেয়া |
| (iii) মন্দ | (iii) গভীৰ |
| (iv) গহন | (iv) কৰিলে |

**অথবা**

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| (i) বাল্মিকী | (i) মহাভাৰত মহাকাব্য প্ৰণেতা |
| (ii) ৰামানুজ | (ii) শিখ ধৰ্মৰ প্ৰৱৰ্তক |
| (iii) ব্যাস | (iii) এজন বৈষ্ণৱ পণ্ডিত |
| (iv) নানক | (iv) ৰামায়ণ মহাকাব্য প্ৰণেতা |

8 তলৰ অনুচ্ছেদটো ভালদৰে পঢ়ক আৰু নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখক। 1×4=4

ড° ভূপেন হাজৰিকাৰ দৰে সন্মান বঁটা পোৱা লোকৰ সংখ্যা বিশ্বতে অতি সামান্য। ১৯৭৭ চনত তেখেতলৈ আগবঢ়োৱা হয় ‘পদ্মশ্ৰী’। ১৯৮৭ চনত ‘শংকৰদেৱ’ বঁটা, ১৯৯৩ চনত ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান ‘দাদ চাহেব ফাল্কে’ বঁটা, ২০০৯ চনত অসমৰ সৰ্বোচ্চ সন্মান ‘অসম ৰত্ন’ বঁটা লাভ কৰে। ‘চামেলি মেমচাব’ৰ সংগীতৰ বাবে ১৯৭৬ চনতে ‘স্বৰ্ণকমল’ বঁটা লাভ কৰিছিল। তদুপৰি সংগীত নাটক অকাডেমিৰ সভাপতি, অসম সাহিত্য সভাৰ সভাপতিৰ দৰে সন্মানো লাভ কৰে এইগৰাকী বৰেণ্য অসমীয়াই। বাংলাদেশত দেশৰ সৰ্বোচ্চ সন্মান মৰণোত্তৰভাৱে ২০১১ বৰ্ষত তেখেতলৈ আগবঢ়ায়।

(i) ড° ভূপেন হাজৰিকাৰ দৰে সন্মান বঁটা পোৱা লোকৰ সংখ্যা _______ অতি সামান্য।

(ক) ভাৰতবৰ্ষতে (খ) অসমতে

(গ) উঃ পূৰ্বাঞ্চলতে (ঘ) বিশ্বতে

(ii) ১৯৯৩ চনত তেওঁ লাভ কৰে ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান _______।
(খালী ঠাই পূৰণ কৰক)

(iii) ‘চামেলি মেমচাব’ৰ সংগীতৰ বাবে ১৯৭৬ চনত লাভ কৰিছিল _______।
(খালী ঠাই পূৰণ কৰক)

(iv) ১৯৭৭ চনত তেখেতলৈ আগবঢ়োৱা হয় _______।

(ক) পদ্মভূষণ (খ) পদ্মবিভূষণ

(গ) ভাৰতৰত্ন (ঘ) পদ্মশ্ৰী

9 লেখকে চাহ খাই উঠি কাৰ লগত কথা পাতি আছিল? 1

**অথবা**

বাৰিষাৰ বৰষুণ কেনেকুৱা?



Unnati Educations
9899436384, 9654279279

10 আহোম ভাষাত বুৰঞ্জীৰ অৰ্থ কি? 1

**অথবা**

কোন চনত আমাৰ স্কুল আৰু কাছাৰীৰ পৰা অসমীয়া ভাষা উঠাই দি বাংলা ভাষা প্ৰৱৰ্তন কৰা হয়?

11 নৰেশ্বৰ কোন? 1

**অথবা**

ধৰ্মকান্তক দেখি দোলনৰ কালৈ মনত পৰিছিল?

12 ভাৰতবৰ্ষৰ এফালে সুউচ্চ পৰ্বতমালা আছে, আনফালে তেনেকৈ কি আছে?

**অথবা**

মানৱ জাতিয়ে সভ্যতাৰ আদিম ৰ'দ কাঁচলিত জীৱিকা নিৰ্বাহৰ বাবে কি উপায় অৱলম্বন কৰিছিল?

13 **'ক' অংশৰ যিকোনো চাৰিটা পাঠৰ লগত 'খ' অংশৰ লেখকৰ নাম মিলাই লিখক।** 1×4=4

| **'ক' অংশ** | | **'খ' অংশ** | |
|---|---|---|---|
| (i) | ঘুনুচা | (i) | লক্ষ্মীনাথ বেজবৰুৱা |
| (ii) | অসমৰ ওজাপালি অনুষ্ঠান | (ii) | তাৰিণী কান্ত গোস্বামী |
| (iii) | বতৰটো ফৰকাল | (iii) | ভৃগুমোহন গোস্বামী |
| (iv) | লুকু ডেকাফুকনৰ দেশভক্তি | (iv) | চৈয়দ আব্দুল মালিক |
| (v) | বৰবৰুৱাৰ গাত চ'তৰ বিহু | (v) | শৰৎ চন্দ্ৰ গোস্বামী |
| (vi) | ভাৰতবৰ্ষত বৈচিত্ৰ্যৰ মাজত ঐক্য | (vi) | নকুল চন্দ্ৰ ভূঞা |

14 তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক : 1×3=3

(i) অতীত শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(ii) পৰম + ঈশ সন্ধি কৰিলে হ'ব _______।

(iii) উন্নত শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(iv) নৰ + ইন্দ্ৰ শব্দৰ সন্ধি কৰিলে হ'ব _______।

15 তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক : 1×3=3

(i) বনৰীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(ii) খোজনীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iii) পুৱতীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iv) দুখনি শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।



Unnati Educations
9899436384, 9654279279

**16** তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক : **1×2=2**

(i) চকুৰ সমাৰ্থক শব্দ হৈছে _______।

(ii) কায়ৰ সমাৰ্থক শব্দ হৈছে _______।

(iii) জহৰ বিপৰীত শব্দ হৈছে _______।

(iv) গ্ৰহণৰ বিপৰীত শব্দ হৈছে _______।

**17** তলৰ যিকোনো দুটা বাক্য এটা শব্দত প্ৰকাশ কৰক : **1×2=2**

(i) যি কোলা শীতল _______।

(ii) কাম-কাজ কৰিব নোখোজা লোক _______।

(iii) যাৰ কোনো আশ্ৰয় নাই _______।

## খ - অংশ (বিষয়নিষ্ঠ প্ৰশ্ন)

**18** তলত দিয়া যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ **20-25** টা শব্দৰ ভিতৰত লিখক : **2×3=6**

(i) ধনী বিধৱাগৰাকীয়ে সাহায্য পোৱা বাবে কোন কোন দায়ী?

(ii) জল প্ৰদূষণৰ উপাদানসমূহৰ বিষয়ে চমুকৈ লিখক?

(iii) ধৰ্মকান্তৰ গাৰ পৰা কি খহি পৰিছিল আৰু কেনেকৈ?

(iv) পৃথিৱীলৈ আবেলি নামি আহিলে কি হয়?

**19** তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ **30-40** টা শব্দৰ ভিতৰত লিখক : **3×2=6**

(i) দুখুনি ঘুনুচাৰ দুখৰ অন্ত নপৰাৰ কাৰণ কি?

(ii) হৰনাথ ফুকনৰ অপৰাধ কি আছিল?

(iii) মাদাৰ টেৰেছাৰ পিতৃ-মাতৃ সম্পৰ্কে পাঠৰ সহায়ত চমুকৈ লিখক।

**20** তলত দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক। **5**

**(ক)** দুখীয়াৰ ভগা পঁজা
একোখনি তীৰ্থ তাত
একোখনি পূণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি
দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

**অথবা**

(খ) মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ।
মোৰ প্ৰতিটো কাম, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ
বুকুত ৰচে শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ
জীৱনৰ আঁহে আঁহে, যৌৱনৰ কোঁহে কোঁহে সেই
সপোনৰ কলৰোল।



Unnati Educations
9899436384, 9654279279

21 প্ৰসংগ সংগতি দৰ্শাই যিকোনো দুছোৰা ব্যাখ্যা কৰক : 4×2=8

(ক) এ ভৱ গহন বন আতি মোহ পাশে ছন্ন
তাহে হামু হৰিণ বেড়াই।
ফান্দিলো মায়াৰ পাশে কাল ব্যাধ ধায়া আসে
কাম ক্ৰোধ কুত্তা খেদি খাই।।

(খ) বিহুত অসমীয়া সমাজত হাঁহকণী যুঁজাই ৰং-ধেমালি কৰে।

(গ) এয়া হ'ল এৰা-ধৰাৰ ইতিহাস, দিয়া লোৰাৰ বুৰঞ্জী।

(ঘ) ফাগুনৰ মলয়াত
পৰাণ মিলাই দিয়া
জীৱন ফাগুন সোণ নাথাকে সদায়।

22 ভাৱ সম্প্ৰসাৰণ কৰক (যিকোনো দুছোৰা): 4×2=8

(ক) অভ্যাসৰ নৰ, কৰ্ণপথে কৰে শৰ।

(খ) অসংখ্যাত তৰাবোৰে কিবা গুণ ধৰে,
এক চন্দ্ৰে জগতৰ অন্ধকাৰ হৰে।

(গ) অতি ভক্তি চোৰৰ লক্ষণ।

23 তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ **100** ৰ পৰা **150** টা শব্দৰ ভিতৰত লিখক : 4

(i) 'ৰাজশক্তি আজি বলহীন' এইষাৰ কাৰ উক্তি? কি কাৰণে ৰাজশক্তি বলহীন বুলি কোৱা হৈছে?

**অথবা**

(ii) ''বড়োসকলৰ উপৰিও অন্যান্য জনজাতীয়সকলৰ মাজত বিহু উৎসৱ দেখা যায়'' - পাঠৰ আধাৰত বুজাই লিখক?

24 তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ **150** ৰ পৰা **200** টা শব্দৰ ভিতৰত লিখক : 5

(i) এগনিছৰ কৰ্মময় জীৱনযাত্ৰা সম্পৰ্কে লিখক।

**অথবা**

(ii) বায়ু প্ৰদূষণ সম্পৰ্কে লিখক।

25 তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক : 8

(ক) অসমৰ বাতৰি কাকত

(খ) প্ৰিয় গ্ৰন্থ

(গ) মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান

---



Unnati Educations
9899436384, 9654279279